# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১২ ফেব্ৰুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**জমাতৰ এজন পুৰণি খাদিম মাননীয় চৌধুৰী হামিদুল্লাহ চাহাব উকিলুল আলা তেহেৰিকে জাদিদ পাকিস্তানৰ ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই জামাতে আহমদীয়াৰ এজন একনিষ্ঠ সেৱক মকৰম চৌধুৰী হামিদুল্লাহ চাহাবৰ স্মৃতিচাৰণ কৰিব বিচাৰিছোঁ। ৭ ফেব্ৰুৱাৰী ২০২১ চনৰ দেওবাৰে ৮৭ বছৰ বয়সত মকৰম হামিদুল্লাহ চাহাবৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। এখেত অকিলুল আলা তেহেৰিকে জাদিদ (পাকিস্তান) হিচাপে জামাতৰ খিদমত আগ বঢ়াইছিল আৰু মজলিচ তেহেৰিকে জাদিদ আঞ্জুমান আহমদীয়াৰ সদৰ আৰু অফিচাৰ জলছা ছালানা হিচাপে এক দীঘলীয়া সময় দায়িত্ব পালন কৰি গৈছে।

মৰহুম চৌধুৰী চাহাবৰ দেউতাকৰ নাম আছিল বাবু মহম্মদ বক্স চাহাব আৰু মাকৰ নাম আছিল আয়শা বিবি চাহিবা। এখেত ভেৰাৰ নোৱাহি অঞ্চলৰ বাসিন্দা আছিল। মৰহুম চৌধুৰী চাহাব ১৯৩৪ চনত কাদিয়ানত জন্ম গ্ৰহণ কৰিছিল। মৰহুম চৌধুৰী চাহাবৰ দেউতাকে চৌধুৰী চাহাবৰ জন্মৰ প্ৰায় পাঁচ বছৰ আগতে আহমদীয়ত গ্ৰহণ কৰিছিল।

চৌধুৰী চাহাবে কাদিয়ানত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ ঘোষিত ওৱাকফে তেহেৰিকৰ প্ৰতি সহাৰি জনাই এখেতৰ মাকে এখেতক হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ ওচৰত লৈ গৈছিল আৰু হুজুৰৰ ওচৰত আবেদন জনাইছিল যে এইজন মোৰ ল'ৰা; মই এওক দ্বীনৰ সেৱা কৰিবলৈ ওৱাকফা কৰিলোঁ। ১৯৪৯ চনত চৌধুৰী চাহাবে মেট্ৰিক পাচ কৰি উকালতে দিওয়ানৰ (ৰাবোৱা) নিৰ্দেশ মৰ্মে ইণ্টাৰভিউ দিবলৈ ৰাবোৱালৈ আহে। তাতে লিখিত পৰীক্ষা হোৱাৰ পিছত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে নিজে এখেতৰ ইণ্টাৰভিউ লয় আৰু তেখেত (ৰাঃ)ৰ নিৰ্দেশ অনুযায়ী চৌধুৰী চাহাবৰ অধ্যয়ন চলি থাকে আৰু স্কুল বিশ্ববিদ্যালয়ত শিক্ষা অৰ্জন কৰে। ১৯৫৫ চনত মৰহুম চৌধুৰী চাহাবে তালিমুল ইছলাম কলেজত শিক্ষক হিচাপে নিযুক্তি পায় আৰু ৰিয়াজি বিভাগৰ সভাপতি পদত অধিষ্ঠিত হয়। ১৯৬০ চনত আব্দুল জাববাৰ খান চাহাব (ছৰগোদা)ৰ জীয়েক ৰেজিয়া খানম চাহিবাৰ সৈতে চৌধুৰী চাহাবে বিবাহ পাশত আবদ্ধ হয়। ১৯৭৪ চনলৈকে এখেতে টি, আই কলেজ (ৰাবোৱা)ত শিক্ষকতা কৰে। ইয়াৰ পিছত হজৰত খলিফাতুল মছীহ তৃতীয়ই মৰহুম চৌধুৰী চাহাবক নাজিৰ

জিয়াফত হিচাপে নিযুক্তি দিছিল। ১৯৮২ চনত হজৰত খলিফাতুল মছীহ চতুৰ্থই এখেতক অকিলে আলা তেহেৰিকে জাদিদ নিযুক্ত কৰে, ইয়াৰ লগতে কিছুদিন এখেতে এডিশ্বনাল সদৰ মজলিছ তেহেৰিকে জাদিদৰ দায়িত্বও পালন কৰিছিল।

আকৌ ১৯৮৯ চনত চৌধুৰী চাহাবে সদৰ মজলিছ তেহেৰিকে জাদিদ হিচাপে নিযুক্ত হয় আৰু মৃত্যুৰ সময়লৈকে এই খিদমত আগবঢ়াই থৈ গৈছে। ইয়াৰ ওপৰি এখেতে ১৯৮৬ চনৰ পৰা মৃত্যুৰ সময়লৈকে এডিশ্বনাল নাজিৰ আলাৰ দায়িত্বও পালন কৰি গৈছে।

হজৰত খলিফাতুল মছীহ তৃতীয়ৰ সময়ছোৱাত এখেত মৰহুমে আমিৰ হোৱাৰ মৰ্যাদাও লাভ কৰিছিল। মজলিছ খুদ্দামুল আহমদীয়া মোকামি ৰাবোৱা আৰু মজলিচ খুদ্দামুল আহমদীয়া মৰকজিয়াৰ বিভিন্ন পদত সেৱা আগবঢ়াই আহিছে আৰু ইয়াৰ পিছত ১৯৬৯ চনৰ পৰা ১৯৭৩ চনলৈ মজলিচ খুদ্দামুল আহমদীয়া মৰকজিয়াৰ সদৰ আছিল। সেই সময় ছোৱাত গোটেই বিশ্ব জুৰি এটাই মৰকজি খুদ্দামুল আহমদীয়া আছিল আৰু এই মৰকজৰ পৰাই সকলো কাম পৰিচালনা কৰা হৈছিল। দেশে দেশে পৃথক কোনো সদৰ নিযুক্ত হোৱা নাছিল।

হজৰত খলিফাতুল মছীহ তৃতীয়ই এখেতৰ বিষয়ে ১৯৭০ চনত অনুষ্ঠিত হোৱা খুদ্দামুল আহমদীয়া মৰকজিয়াৰ ইজতেমাত ভাষণ প্ৰদান কৰোঁতে কৈছিল- মই এজন মুখলিচ ল'ৰাক যাৰ হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে কোনো শাৰীৰিক সম্পৰ্ক নাই কিন্তু আধ্যাত্মিক সম্পৰ্ক বৰ দৃঢ়কৈ আছে; খুদ্দামুল আহমদীয়াৰ সদাৰতি ভাৰ অৰ্পন কৰিছোঁ; আল্লাহ তা'লা তেওঁক সেই দায়িত্ব ভাৰ পালন কৰাৰ তৌফিক দান কৰিছে আৰু তাৰ চেষ্টা প্ৰচেষ্টাত বৰকত দান কৰিছে আৰু মোৰ দোৱা কবুল কৰিছে।

মৰহুম চৌধুৰী চাহাবৰ সদাৰত কালত হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ তৃতীয়ৰ ইচ্ছা অনুসাৰেই খুদ্দামুল আহমদীয়াৰ সকলো বিভাগেই লক্ষ্যনীয় উন্নতি লাভ কৰিছিল। ১৯৭৪ চনৰ গণ্ডগোলীয়া অৱস্থাতেও চৌধুৰী চাহাবে হজৰত খলিফাতুল মছীহ তৃতীয়ৰ নিৰ্দেশ অনুযায়ী এক গুৰুত্বপূৰ্ণ ভূমিকালৈ খিদমত সম্পাদন কৰিছে। হজৰত খলিফাতুল মছীহ ৰাবে (ৰাঃ)ৰ লণ্ডনলৈ কৰা হিজৰতৰ পিছত হুজুৰৰ নিৰ্দেশ মৰ্মে ইয়ালৈ আহি এবছৰতকৈ বেছি সময় ইয়াতে কটাইছিল। ইয়াতে যি জমাতি মৰকজি নিজাম আছিল, সেয়া সুপ্ৰতিষ্ঠিত কৰিবলৈ আৰু ইস্কুয়েট কৰিবলৈ তেখেতে যথেষ্ট ভূমিকা পালন কৰিছিল। ১৯৮২ চনৰ পৰা ১৯৯৯ চনলৈ এখেতে সদৰ মজলিচ আনছাৰুল্লাহ হিচাপে দায়িত্ব পালনৰ তৌফিক লাভ কৰিছিল। জমাতে আহমদীয়াৰ শত বাৰ্ষিকী জুবিলী পৰিচালনা কমিটিৰ সভাপতি হিচাপে দায়িত্বৰ ভাৰ গ্ৰহণ কৰি খিদমত আগবঢ়াইছিল। ইয়াৰ আগতে চৌধুৰী চাহাবে শত বাৰ্ষিকী আহমদীয়া জুবিলি মনছুবা বন্ধী কমিটিৰ সভাপতি হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। ২০০৩ চনৰ এপ্ৰিল মাহত হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ মৃত্যুৰ সময়ত খিলাফতৰ নিৰ্বাচনী বৈঠকৰ এখেতে সভাপতিত্ব কৰাৰ সৌভাগ্য লাভ কৰিছিল। অকিলে আলা হিচাপে চৌধুৰী চাহাবে আফ্ৰিকা আৰু ইউৰোপৰ লগতে বিভিন্ন দেশলৈ ভ্ৰমণ কৰিছিল। ১৯৭৩ চনত মহতৰম ছৈয়দ মীৰ দাউদ আহমদ চাহাবৰ মৃত্যুৰ পিছত হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)য়ে এখেতক বছৰেকীয়া জলছাৰ প্ৰধান বিষয়া হিচাপে নিযুক্তি দিছিল। ১৯৭৩ চনৰ পৰা এখেতে নিজৰ মৃত্যুৰ সময়লৈকে অফিচাৰ জলছা ছালানা হিচাপে খিদমত আগবঢ়াই থৈ গৈছে।

১৯৯১ চনত অনুষ্ঠিত হোৱা কাদিয়ানৰ ছালানা জলছাত হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)এখেতক অফিচাৰ জলছা ছালানা নিযুক্ত কৰিছিল। ১৯৭৭ চনত মৰহুম চৌধুৰী চাহাবক অফিচাৰ জলছা ছালানা (ৰাবোৱা)ৰ ওপৰিও নাজিৰ জিয়াফতও নিযুক্ত কৰা হৈছিল। ১৯৭৭ চনৰ পৰা ১৯৮৭ চনলৈকে এখেতে নাজিৰ জিয়াফতও

হিচাপে খিদমত কৰিছিল।

মৰহুম চৌধুৰী চাহাবে নিজৰ পত্নী ৰেজিয়া খানম লগতে এজন পুত্ৰ আৰু দুজনী জীয়েক এৰি থৈ গৈছে। মৰহুমৰ পত্নীয়ে কৈছে যে আমাৰ বিয়াৰ পিছত মই দেখিছো যে তেখেতে যি এলাউন্স পাইছিল তাৰ পৰা আগতে চান্দা হিচাপ কৰি উলিৱাই লৈছিল আৰু মোক সদায় শিক্ষা দিছিল যে আগতে চান্দা দিয়া; তাৰ পিছত বাকী খৰচ কৰিবা আৰু মোক অচিয়তৰ শিক্ষাও দিছিল। তেখেতে নিয়মিত তাহাজ্জুদ নমাজ পঢ়িছিল। জীৱনৰ শেষ সময়লৈকে সকলো নমাজ সময় মতে পঢ়ি লৈছিল।

আকৌ কয় যে তেখেত বৰ নম্ৰ স্বভাৱৰ লোক আছিল। এজন মৰমীয়াল পতি আছিল। ল'ৰা ছোৱালীৰ বাবে মৰমীয়াল পিতৃ আছিল। কোনো আত্মীয় স্বজনৰ প্ৰতি কেতিয়াও অসন্তুষ্টি প্ৰকাশ কৰা নাছিল,আৰু সকলো কথা বুজা-বুজিৰে আগবঢ়াই নিছিল আৰু কৈছিল যে **আল ইজ্জাতুল্লাহ জামিয়া** সকলো সন্মানেই আল্লাহ তা'লাৰ নিমিত্তে হৈ থাকে। নিজৰ ভাই ভনী আৰু অন্যান্য আত্মীয়-স্বজনৰ প্ৰতি সদায় দৃষ্টি ৰাখিছিল। তেখেতৰ জীয়েকে কয় যে মোৰ দেউতাকে মোৰ মাকৰ লগত কেতিয়াও খঙেৰে মাত মতা নাছিল। পিতায়েৰা কেৱল আমাৰ পিতাকেই নাছিল বৰং আমাৰ বন্ধুৰ দৰে আছিল। আকৌ কৈছে যে তেখেতে নিজৰ কোঠালিতেই তাহাজ্জুদ নমাজ পঢ়িছিল। সেই নমাজৰ সময়ত তেখেতে কৰা দোৱা সমূহৰ মাজত মোৰ এটা দোৱা মনত আছে; যিটো তেখেতে বাৰে বাৰে পঢ়িছিল সেয়া হ'ল হে কাদিৰ তুমি মোক বিপদৰ পৰা ৰক্ষা কৰিবা। আমাৰ দেউতা আমাৰ বাবে দোৱাৰ ভঁৰাল আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তেখেত প্ৰকৃতাৰ্থে ওৱাকফে জীন্দেগীৰ হ'ক আদায় কৰোঁতা আছিল। খোৱা-লোৱা আৰু শুই থকাৰ বাদে কেৱল জমাতি কামত ব্যস্ত থাকিছিল,কোনো ধৰণৰ সময় অপচয় কৰা নাছিল।

তেখেতৰ পুতেকে লিখিছে যে মোৰ দেউতাকে সদায় দুটা বিষয়ে জোৰ দি ধৰিছিল যে নমাজ আৰু খলিফা ওয়াক্তৰ যিকোনো আদেশৰ ওপৰত পৰিপূৰ্ণ ভাৱে আমল কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেতিয়া মই সকলো জমাতি বিষয়া বৰ্গক এবাৰ এয়া কৈছিলো যে বাহিৰৰ জমাতবোৰলৈ যাওঁক আৰু লোক সকলৰ লগত সাক্ষাৎ কৰি মোৰ ছালাম তেওঁলোকক পৌছাই দিয়ক। তেতিয়া চৌধুৰী চাহাবৰ দায়িত্বত আছিল ছৰগোদা জিলা,তেখেত তালৈ দুবাৰ গৈছিল আৰু ঘৰে ঘৰে গৈ মোৰ ফালৰ পৰা ছালাম দিছিল, মুঠতে এখন ঘৰও বাদ দিয়া নাছিল। তেখেতে কৈছিল যে যিকোনো বিষয়েই হওঁক,ডাঙৰেই হওঁক বা সৰুৱেই হওঁক তাত ভুল কিবা এটা হৈ গ'লে সেয়া খলিফাতুল মছীহক জনাব লাগিব আৰু এয়া বাধ্যতামুলক হিচাপে বিষয়টো তেখেতৰ জ্ঞাতাৰ্থে জনাব লাগিব। ইয়াৰ দ্বাৰা দোৱাও হৈ যায় আৰু সংশোধনও হৈ যায়। মাজে সময়ে কোনো কোনো ভ্ৰমণ কালত কিছুমান জমাতে কৈছিল যে আজি আপুনি কিবা এটা ভাষণ দিয়ক কিন্তু তেখেতে সেয়া অস্বীকাৰ কৰি কৈছিল যে যিখিনি কৰিবলৈ মই নিৰ্দেশ পাইছো, মই সেই খিনিয়ে কৰিম।

লায়েক আবিদ চাহাবে লিখিছে যে এখেত মৰহুমে সৰু সৰু বিষয়বোৰতও বৰ সতৰ্কতা অৱলম্বন কৰি কাম কৰিছিল। কোনো এটা ড্ৰাফট বিল অথবা চিঠি ভালকৈ পঢ়ি লোৱা বিহনে তাত চহী কৰা নাছিল। এয়া বৰ জৰুৰী বিষয় অফিচাৰ সকলৰ বাবে তেওঁলোকে যেন কোনো বস্তু এটা নেদেখা কৰিয়ে চহী কৰি নিদিয়ে।

তেখেত মৰহুমে নিয়মানুবৰ্ত্তিতা আৰু সময়ৰ প্ৰতি দৃষ্টি দিছিল আৰু প্ৰত্যেক কাম সময়ত কৰিবলৈ অভ্যাস কৰিছিল, যেনিবা সময়ে তাক খেদি আছে; আৰু যেনেকৈয়ে হওঁক সেয়া সমাধা কৰিছিল। ইমানখিনি সময়ৰ বেৰীত আৱদ্ধ থকা সত্বেও তেখেতে সন্মান,আদবৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছিল। মছজিদত গলে জিকৰে ইলাহিত ব্যস্ত থাকিছিল।

ছমিউল্লাহ ছিয়াল চাহাবে কৈছে যে মৰহুম চৌধুৰীৰ জীৱন চৰিত্ৰৰ ফালৰ পৰা তেখেতে এজন মহৎ মানুহ আছিল। এজন সহানুভূতিশীল,দক্ষতা সম্পন্ন ভাৱে দ্বীনৰ খিদমতকাৰী আৰু খিলাফতৰ প্ৰতি অফুৰন্ত ভাল পোৱা ৰাখোতা ব্যক্তি আছিল। নতুনকৈ অহা ওৱাকফিন সকলক অতি উত্তম ভাৱে তৰবিয়ত দিছিল।

হালিম কুৰেছি চাহাবে কৈছে যে চৌধুৰী চাহাব ইন্তেজামি বিষয় আৰু টকা পইচাৰ বিষয়ত বৰ চোকা দৃষ্টি ৰাখোঁতা কঠিন ৰক্ষক আছিল। কেতিয়াও অসংযমী ব্যৱস্থাপনা পছন্দ কৰা নাছিল। টকা পইচাৰ হিচাপত চোকা দৃষ্টি ৰাখি দাম,কামৰ বিষয়ে ভালদৰে বিশ্লেষণ কৰি লৈছিল। যদি কোনো বিল এটাত ১০ টকাও বেছি সোমাই দিয়া হৈছিল, সেই সম্পৰ্কেও প্ৰশ্ন কৰিছিল যে অমুক দোকানত এই বস্তুৰ দাম এশ টকা হয় আৰু আপুনি এশ দুই টকা খৰচ কৰিছে।

মাজিদ তাহিৰ চাহাব অকিল আলতবসিৰ (লণ্ডন) য়ে লিখিছে যে মৰহুম চৌধুৰী চাহাবে নিজৰ জীৱনৰ প্ৰতিটো মুহূৰ্তত দ্বীনৰ সেৱাত খৰচ কৰিছে। বিভিন্ন দফতৰী বিষয়ে খলিফা ওৱাক্তৰ যি নিৰ্দেশ আহিছিল চৌধুৰী চাহাবে সেয়া অনতি পলমে কাৰ্যকৰী কৰিছিল। নিশ্চয় তেখেতৰ উঠা,বহা,চলা-ফুৰা কথা কোৱা মনে মনে থকা আদি সকলো খলিফা ওয়াক্তৰ অধীনস্ত আছিল। যিসকলে আইন নিয়ম-নীতি খলিফা ওয়াক্তৰ নিৰ্দেশিত নীতিৰ ওপৰত বুলি ভাৱে যে এই নিয়ম-নীতি লিখিত আছে, গতিকে ইয়াৰ ওপৰত জমাতে আমল কৰিব লাগে,তেওঁলোকক এখেত মৰহুমে কৈছিল যে খলিফা ওয়াক্তে যি হিদায়ৎ দিয়ে আৰু যিবোৰ নিৰ্দেশ দিয়ে, তাৰ ওপৰত আমল কৰক, আপোনালোকৰ বাবে এয়াই নীতি নিয়ম।

মোবাৰক ছাদেকি চাহাবে কৈছে এবাৰ মই টি আই কলেজৰ মিটিংৰ সময়ত তেখেতক কৈছিলো যে আল্লাহ তা'লা আপোনাক দীৰ্ঘকাল জুৰি দ্বীনৰ খিদমত কৰাৰ তৌফিক দান কৰিছে আৰু বৰ মৰ্যাদা দান কৰিছে। আপুনি মোক এই কৃতকাৰ্যতাৰ ৰহস্য সম্পৰ্কে নচিহত কৰক। এয়া শুনি তেখেতে কৈছিল যে এটাই মাত্ৰ ৰহস্য আছে আৰু সেয়া হ'ল এয়া যে নিজৰ জ্ঞান আৰু প্ৰজ্ঞাক ডাঙ্গৰ বুলি নেভাৱি চকু মুদি খলিফা ওয়াক্তৰ ইতায়ত কৰা, এনেকুৱা ইতায়েত যে আপোনাৰ হৃদয়ে যেন সাক্ষী দিয়ে যে মই ইতায়েতৰ হ'ক আদায় কৰাৰ পৰিপূৰ্ণ চেষ্টা কৰিছোঁ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা এখেত মৰহুমৰ মৰ্যাদা উন্নীত কৰক আৰু এখেতৰ দৰে চুলতান নছিৰ খিলাফতে লাভ কৰি থাকক। পাকিস্তানৰ পৰিস্থিতি নিৰাপদ হোৱাৰ বাবে দোৱা কৰি থাকক। বৰ্তমানে পাকিস্তানৰ যি পৰিস্থিতি চলি আছে সেয়া আল্লাহ তা'লা অতি সোনকালে সলনি কৰি দিয়ক আৰু তাত আহমদী সকলক স্বাধীন ভাৱে নিজৰ জীৱন অতিবাহিত কৰাৰ তৌফিক দান কৰক।

আনহাতে গুৰুত্বপূৰ্ণ কথা হ'ল এয়া যে কৰোনা মহামাৰীয়ে যি আজি গোটা বিশ্বজুৰি বিস্তাৰ লাভ কৰিছে; তাত আহমদী সকলে যি সতৰ্কতা অৱলম্বন কৰিব লগা আছিল; সেয়া কৰি থকা নাই। এই সতৰ্কতা অৱলম্বন আমেৰিকাতও কৰা হোৱা নাই, বৃটেইনতও নহয়, পাকিস্তানতও কৰা নাই। পূৰ্ণ সতৰ্কতাৰ সৈতে মাস্ক পিন্ধা উচিত। কোনোবাই মাস্ক পিন্ধিছে কিন্তু নাক ওলাই আছে। অথচ নাক ঢাকি মাস্ক পিন্ধাহে উচিত। কোনোবাই আকৌ মাস্ক ডিঙিত ওলমাই ৰাখিছে। এনেদৰে মাস্ক পৰিধানত কি লাভ হ'ব। আকৌ সামাজিক দূৰত্বও মানি চলা নাই; এনেকি চৰকাৰে বান্ধি দিয়া নিয়মৰ ওপৰতও আমল কৰা হোৱা নাই। আচলতে আমি এই সকলোবোৰ কথাৰ ওপৰত আমল কৰা উচিত।ইয়াৰ অন্যথা কৰিলে এই মহামাৰী আৰু বিয়পি পৰিব। আজি কালি চেষ্টা কৰা উচিত যে ভ্ৰমণ যেন কমকৈ কৰে; অনৰ্থক ভ্ৰমণ পৰিহাৰ কৰে যেন। যিয়েই নহওঁক আল্লাহ তা'লা এই মহামাৰী অতি সোনকালে দূৰ কৰক আৰু যিসকল আহমদী বেমাৰত আক্ৰান্ত হৈছে, আৰু যি সকলে হোৱা নাই সকলোকে নিৰাপদ ৰাখক আৰু বেমাৰী

সকলক যথা আৰোগ্য দান কৰক। আমীন- নমাজে জুমাৰ পিছত ইনশা আল্লাহ মই চৌধুৰী চাহাবৰ জানাজা গায়েব পঢ়াম।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 12 FEBRUARY 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**